**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ বাতৰি পোৱা গৈছে। যোৰহাট জিলাত জাপানীজ এনকেফেলাইটিছত এজন ১৬ বছৰীয়া কিশোৰৰ মৃত্যু হৈছে। বৰ্তমানলৈকে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ দুজন লোকৰ মৃত্যু হোৱা বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। বৰ্তমান এটি দুবছৰীয়া শিশুসহ কেইবাজনো সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে।

জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মাজুলীত এটি শিশুৰ মৃত্যু হৈছে। জিলাখনত এইপৰ্যন্ত ছজন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইপিনে মাজুলীৰ ১১ খন গাঁৱত জাপানীজ এনকেফেলাইটিছৰ লগতে ডেংগি আৰু মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত জিলা স্বাস্থ্য বিভাগে ১২ হাজাৰৰো অধিক লোকৰ তেজৰ নমুনা সংগ্ৰহ কৰিছে।

শিৱসাগৰ জিলাত যোৱা এপ্ৰিলৰ পৰা বৰ্তমানলৈকে শিশুসহ ১০জন লোক জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত সাতজন ৰোগী আৰোগ্য হোৱাৰ পাছত ঘৰলৈ যাবলৈ দিয়া হৈছে। বাকী তিনিজনৰ ভিতৰত এটি শিশুসহ দুজন লোক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত আৰু এজন শিৱসাগৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

০০০০০০

ধেমাজি জিলাৰ ডিমৌত দুৰ্বৃত্তই এগৰাকী কৰ্তব্যৰত সাংবাদিকক আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত কালি ধেমাজী প্ৰেছ ক্লাৱত এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন দল সংগঠনৰ প্ৰতিনিধি আৰু সচেতন ৰাইজে অংশগ্ৰহণ কৰা এই প্ৰতিবাদী সভাত মাধুৰ্য্য শইকীয়া নামৰ বৈদ্যুতিন চেনেলৰ সাংবাদিকগৰাকীক আক্ৰমণৰ ঘটনাত জড়িত দুৰ্বৃত্তক শীঘ্ৰে দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনোৱা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ধেমাজীৰ চিমেন-চিচি টঙানি উন্নয়ন খণ্ডৰ অন্তৰ্গত ডিমৌ পঞ্চায়তৰ সভাপতি নিৰ্বাচন সম্পৰ্কীয় বাতৰি সংগ্ৰহৰ বাবে সাংবাদিকগৰাকী সেই স্থানত উপস্থিত হোৱাৰ সময়ত ২৫-৩০ জনীয়া দুৰ্বৃত্তৰ দলে লাঠি-জোং লৈ তেওঁক আক্ৰমণ কৰে। সাংবাদিকগৰাকী অৱশ্যে এই আক্ৰমণৰ পৰা প্ৰাণ লৈ পলাবলৈ সমৰ্থ হয়। ধেমাজীৰ জ্যেষ্ঠ সাংবাদিক দিলিপ কুমাৰ হাজৰিকাৰ পৌৰহিত্যত অনুষ্ঠিত প্ৰতিবাদী সভাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ধেমাজী জিলা ছাত্ৰ সন্থা, টাই আহোম ছাত্ৰ সন্থা, লাচিত সেনাকে ধৰি প্ৰায়বোৰ দল -সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে।

০০০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰ সমষ্টিৰ অন্তৰ্গত আমবাগানত ৰাজ্যৰ কৃষি বিভাগৰ গ্ৰামোন্নয়ন পুঁজি আঁচনিৰ অধীনত নিৰ্মাণ কৰিবলৈ লোৱা জ্ঞান কেন্দ্ৰ আৰু

প্ৰশিক্ষণ ভৱনৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত কলিয়াবৰৰ সমজিলা আয়ুক্ত ৰাজ বৰুৱা, জিলা কৃষি বিষয়া, কৃষি উন্নয়ন বিষয়াৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈয়ে কালি ডিফু আৰ্ৱত ভৱনত অঞ্চলটোৰ সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰে। বৰ্তমানৰ চৰকাৰখনৰ সমালোচনা কৰি শ্ৰীগগৈয়ে কংগ্ৰেছৰ শাসনকালত ষষ্ঠ অনুসূচীৰ অধীনত গঠন কৰা কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ শাসন ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণৰ পৰিৱৰ্তে বিজেপি চৰকাৰে সকলোবোৰ ক্ষমতা নিজৰ হাতত ৰাখিছে বুলি অভিযোগ কৰে। দলীয় আন্তঃগাঁথনি উন্নয়নৰ বুজ লোৱাৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে কাৰ্বি আংলঙলৈ যোৱা প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে লগতে ডিফুত বিভিন্ন সামাজিক সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০০০

সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীক ৰাজ্য চৰকাৰে হেৰিটেজ ব্লক এণ্ড বেল্টৰ অধীনলৈ অনাৰ সিদ্ধান্ত কাৰ্যকৰী কৰা জিলাখনত আনন্দৰ জোৱাৰ উঠিছে। চৰকাৰে এটা নিৰ্দেশনাযোগে এতিয়াৰে পৰা মাজুলীৰ ভূমি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত কেতবোৰ নীতি নিৰ্ধাৰণ কৰিছে। এই অনুসৰি মাজুলীত যিকোনো লোকে ভূমি ক্ৰয়-বিক্ৰয় কৰিব নোৱাৰিব। জিলাখনৰ স্থানীয় বাসিন্দাইহে চৰ্তসাপেক্ষে এই সুবিধা লাভ কৰিব। বিশেষকৈ তিনিটা প্ৰজন্ম ধৰি মাজুলীত স্থায়ীভাৱে বসবাস কৰি থকা লোকেহে ভূমি ক্ৰয়-বিক্ৰয় কৰিব পাৰিব বুলি নিৰ্দেশনাটোত স্পষ্ট কৰি দিয়া হৈছে। বিশ্বৰ সৰ্ববৃহৎ নদী দ্বীপটো হেৰিটেজ ব্লক এণ্ড বেল্টৰ আওতালৈ অনাত বিভিন্ন দল-সংগঠনৰ লগতে মাজুলীৰ বহুকেইগৰাকী সত্ৰাধিকাৰে আদৰণি জনাইছে। আউনীআটীৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীয়ে কয়, যে মাজুলী সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, সমন্বয়ৰ পীঠ ভূমি আৰু বহু জনজাতীয় লোকৰ আৱেষ্টনী ক্ষেত্ৰ। চৰকাৰৰ এই সিদ্ধান্তই মাজুলীক সাংস্কৃতিক, সামাজিক আৰু ধৰ্মীয়ভাৱে সুৰক্ষিত কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইপিনে কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে এই সিদ্ধান্তক আদৰণি জনোৱাৰ লগতে মাজুলীৰ চৰ-চাপৰিসমূহো সুৰক্ষিত কৰাৰ ক্ষেত্ৰত চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০

প্ৰসিদ্ধ বুৰঞ্জীবিদ, পূৰ্বৰ কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা স্তম্ভ লেখক উদয়াদিত্য ভৰালীৰ আজি পুৱতি নিশা প্ৰায় তিনি বজাত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা উদয়াদিত্য ভৰালী শৈক্ষিক ক্ষেত্ৰৰ লগতে নানান সামাজিক কামতো সক্ৰিয় ভূমিকা পালন কৰিছিল।

০০০০০০

সমাপ্ত